**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে ওড়িশা আৰু উত্তৰ প্ৰদেশলৈ ৰাওনা হ'ব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ভাৰত আৰু ইণ্ডোনেছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ আলোচনাত সহ অধ্যক্ষতা কৰিব।

৩। ভাৰত আৰু শ্ল'ভেনিয়াৰ মাজত কালি বাণিজ্য, প্ৰযুক্তি আৰু পৰ্যটনৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিক লৈ বিশেষ আলোচনা অনুষ্ঠিত হয়।

৪। চলিত বিত্তীয় বৰ্ষত দেশত খাৰিফ শস্যৰ উৎপাদন মুঠ ১ লাখ ৭৩ হাজাৰ ৩৩০ লাখ টন হ'ব বুলি অনুমান কৰা হৈছে। *আৰু*

৫। ২০৩০ বৰ্ষৰ কমনৱেল্‌থ ক্ৰীড়া সমাৰোহৰ আয়োজনৰ স্বত্ব আহমেদাবাদে লাভ কৰাটো দেশৰ বাবে অতি সন্মানৰ মুহূৰ্ত বুলি কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই মন্তব্য কৰিছে।

ooooo

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে ওড়িশা আৰু উত্তৰ প্ৰদেশলৈ ৰাওনা হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ভুৱনেশ্বৰৰ ওড়িশা বিধানসভাত বিধায়কসকলক সম্বোধন কৰিব।

ৰাষ্ট্ৰপতিগৰাকী কাইলৈ লক্ষ্ণৌত ২০২৫-২৬ বৰ্ষৰ বাবে ব্ৰহ্মকুমাৰী সকলৰ বাৰ্ষিক বিষয়বস্তু মুকলি কৰিবলৈ এটা বিশেষ অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে ভ্ৰমণৰ দ্বিতীয় দিনটোত কাইলৈ লক্ষ্ণৌত ভাৰত স্কাউটছ্‌ এণ্ড গাইডছৰ হীৰক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ইণ্ডোনেছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী ছজাফ্ৰী ছজামছয়েদ্দিনৰ সৈতে ভাৰত আৰু ইণ্ডোনেছিয়া প্ৰতিৰক্ষা মন্ত্ৰীৰ আলোচনাত সহ অধ্যক্ষতা কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি আলোচনাকালত দুয়োগৰাকী মন্ত্ৰীয়ে আঞ্চলিক সুৰক্ষা বৃদ্ধিৰ বিভিন্ন উপায় সন্দৰ্ভত মত বিনিময় কৰিব। দুয়োগৰাকী মন্ত্ৰীয়ে দ্বিপাক্ষিক স্বাৰ্থজড়িত বিষয়সমূহক লৈ মত বিনিময় কৰাৰ লগতে ন-ন ক্ষেত্ৰত প্ৰতিৰক্ষা সহযোগিতা ত্বৰান্বিত কৰাৰ বিভিন্ন উপায় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰিব। এই আলোচনাত ভাগ লোৱাৰ অৰ্থে ইণ্ডোনেছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকী দুদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে ভাৰতত আহি উপস্থিত হৈছে। এই ভ্ৰমণে উভয় দেশৰ ক্ৰমবৰ্ধমান প্ৰতিৰক্ষা সংযোগক প্ৰতিফলিত কৰিছে আৰু এই ক্ষেত্ৰত সহযোগিতা অধিক বিকশাই তোলাৰ বাবে দুয়োখন দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰকাশ কৰিছে বুলি বিবৃতিটোত মন্ত্ৰালয়ে মন্তব্য কৰে। বিগত জানুৱাৰীত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিয়ে ভাৰত ভ্ৰমণ কৰাৰ পাছত আজি হ'বলগীয়া আলোচনাই উভয় দেশৰ প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ জৰিয়তে কৌশলগত সম্পৰ্ক ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে।

ভাৰত আৰু ইণ্ডোনেছিয়াই প্ৰতিৰক্ষা খণ্ডৰ বিভিন্ন চুক্তি সন্দৰ্ভত ভালেমান দিন ধৰি আলোচনা কৰি আহিছে। বিগত জানুৱাৰীত ইণ্ডোনেছিয়াৰ আগশাৰীৰ ৰাজনৈতিক আৰু সামৰিক নেতাৰ উচ্চস্তৰীয় ভাৰত ভ্ৰমণৰ সময়ত নতুন দিল্লীত এই চুক্তিসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে।

০০০০০

ভাৰত আৰু শ্ল'ভেনিয়াৰ মাজত কালি বাণিজ্য, প্ৰযুক্তি আৰু পৰ্যটনৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ নতুন পন্থা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। শ্ল'ভেনিয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অৰ্থনৈতিক, সাংস্কৃতিক আৰু বৈজ্ঞানিক কূটনীতিৰ সঞ্চালকপ্ৰধান পিটাৰ জাপেলজৰ নেতৃত্বত লিউব্লিয়ানাৰ পৰা অহা ভ্ৰমণকাৰী প্ৰতিনিধি দলৰ সৈতে পশ্চিমৰ সচিব ছিবি জৰ্জে এই আলোচনাত অংশ লয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, আলোচনাত 'থ্ৰী-টি' অৰ্থাৎ ট্ৰেড, টেকন'ল'জী আৰু ট্যুৰিজিমৰ দ্বিপাক্ষিক অংশীদাৰিত্ব শক্তিশালী কৰা আৰু দুয়োখন দেশে যৌথ উদ্যোগ সম্প্ৰসাৰণ কৰিব পৰা ক্ষেত্ৰসমূহ চিনাক্তকৰণত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰালয়ে লগতে জনাইছে যে, এই বৈঠকত অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সম্পৰ্ক সুদৃঢ় কৰাত দুয়োপক্ষৰ ক্ৰমবৰ্ধমান আগ্ৰহ প্ৰতিফলিত হৈছে।

ইয়াৰ পূৰ্বে ভাৰত আৰু শ্ল'ভেনিয়াই নতুন দিল্লীত অনুষ্ঠিত হোৱা ভাৰত-শ্ল'ভেনিয়া যুটীয়া বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা সমিতিৰ দশম অধিৱেশনত তেওঁলোকৰ সম্প্ৰসাৰিত বাণিজ্যিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে ভৱিষ্যতৰ সহযোগিতাৰ বিষয়ত আলোচনা কৰিছিল।

০০০০০

সংবিধান দিৱসৰ দিনা কালি পেৰিছত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত ড০ বাবাছাহেব আম্বেদকাৰৰ এটা আবক্ষ মূৰ্তি উন্মোচনক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গৌৰৱ প্ৰকাশ কৰিছে। ড০ আম্বেদকাৰ আৰু সংবিধান প্ৰণয়নৰ ক্ষেত্ৰত তেখেতৰ ভূমিকাৰ প্ৰতি এয়া উপযুক্ত সন্মান বুলি সামাজিক মাধ্যমৰ এটা প'ষ্টত শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ড০ আম্বেদকাৰৰ চিন্তা আৰু আদৰ্শই অগণন লোকক শক্তি আৰু আশা প্ৰদান কৰি আহিছে।

০০০০০

চাইপ্ৰাছৰ সংসদৰ অধ্যক্ষ আন্নিতা ডিমেট্ৰিউৰ নেতৃত্বত অহা এটা সংসদীয় প্ৰতিনিধি দলে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে। সাক্ষাৎকালত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে চাইপ্ৰাছৰ সৈতে কৌশলগত দৃষ্টিভংগী আৰু পাৰস্পৰিক সন্মান আধাৰিত ভাৰতৰ সহযোগিতাৰ বিষয়ে উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বিগত বছৰসমূহত ভাৰত আৰু চাইপ্ৰাছৰ মাজত থকা ৰাজনৈতিক সম্পৰ্ক, অৰ্থনৈতিক সহযোগিতা, প্ৰতিৰক্ষা সহযোগিতা আৰু সাংস্কৃতিক সম্পৰ্ক গভীৰ হৈছে। উভয় দেশৰ মাজত থকা অৰ্থনৈতিক সম্পৰ্ক সম্প্ৰসাৰণৰ অসীম সম্ভাৱনা আছে বুলি তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ৰাষ্ট্ৰসংঘ, ইউৰোপীয় সংঘ আৰু কমনৱেল্থৰ লেখীয়া বহুপাক্ষিক মঞ্চসমূহত থকা দুয়োখন দেশৰ ঘনিষ্ঠ সহযোগিতাৰ শলাগ লয়। চাইপ্ৰাছৰ প্ৰতিনিধি দলটোৱে এইবেলি ভ্ৰমণকালত ভাৰতৰ গণতন্ত্ৰ আৰু সংসদীয় কাম-কাজৰ বিষয়ে জ্ঞান আহৰণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এনেধৰণৰ সংসদীয় বিনিময়ে দুয়োখন দেশৰ মাজত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০

 নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন খণ্ডত জিএছটিৰ হাৰ হ্ৰাস কৰাৰ পৰিপ্ৰেক্ষিতত যোৱা ২২ ছেপ্টেম্বৰত আৰম্ভ হোৱা GST সঞ্চয় উৎসৱে সমগ্ৰ দেশৰ নাগৰিকক উপকৃত কৰি আহিছে। এই নতুন GST সংস্কাৰে অসমত পেলোৱা প্ৰভাৱ সন্দৰ্ভত আমাৰ সংবাদদাতাই যুগুত কৰা প্ৰতিবেদন অনুসৰি, এই পদক্ষেপে অসমত সৰ্বাংগীন বিকাশ তথা ৰাজ্যৰ শিপিনী, কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলক যথেষ্ট সকাহ প্ৰদান কৰিছে। নতুন কৰ গাঁথনিৰ অধীনত ৰাজ্যৰ পৰম্পৰাগত তথা আঞ্চলিক সামগ্ৰীৰ ওপৰত জি এছ টি হ্ৰাস কৰা হৈছে আৰু এই সংস্কাৰৰ পৰা পৰ্যটন খণ্ড বিশেষভাৱে লাভৱান হৈছে । প্ৰতি নিশা ৭ হাজাৰ ৫০০ টকা পৰ্যন্ত মূল্যৰ হোটেলৰ কোঠাসমূহ এতিয়া ৫ শতাংশ জি এছ টি শ্লেবৰ অধীনত অন্তৰ্ভুক্ত হোৱাত পৰ্যটকসকলৰ বাবে অসম অধিক সুলভ গন্তব্যস্থান হিচাপে পৰিগণিত হ'ব। GST সংস্কাৰে অসমৰ চাহ উদ্যোগকো যথেষ্ট লাভৱান কৰিছে। জি এছ টি ৫% হোৱাৰ ফলত সামগ্ৰীসমূহ সস্তা তথা ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় উভয় বজাৰতে অধিক প্ৰতিযোগিতামূলক হৈ পৰিছে। একেদৰে মুগা ৰেচম, গামোছাকে ধৰি সাংস্কৃতিকভাৱে উল্লেখযোগ্য সমগ্ৰীসমূহৰ ওপৰত প্ৰযোজ্য GSTও ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত শিপিনীসকলে প্ৰতিযোগিতামূলক বজাৰত সামগ্ৰী বিক্ৰীৰে অধিক মুনাফা লাভ কৰিব পাৰিব। এই সংস্কাৰসমূহে অসমৰ সংস্কৃতি সংৰক্ষণত সহায় কৰাৰ উপৰি পৰিৱেশ অনুকূল উদ্যোগসমূহ শক্তিশালীকৰণ তথা স্থানীয় সামগ্ৰীসমূহ অধিক সুলভ কৰাত বিশেষ অৰিহণা যোগাইছে।

০০০০০

চলিত বিত্তীয় বৰ্ষত দেশত খাৰিফ শস্যৰ উৎপাদন মুঠ ১ লাখ ৭৩ হাজাৰ ৩৩০ লাখ টন হ'ব বুলি অনুমান কৰা হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি এই কথা প্ৰকাশ কৰে।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ অনুমান অনুসৰি ধানৰ উৎপাদন এহেজাৰ ২৪০ লাখ টনতকৈ অধিক হ'ব বুলি অনুমান কৰা হৈছে। এই পৰিসংখ্যা বিগত বৰ্ষতকৈ এহেজাৰ ৭৩০ লাখ টন অধিক। শ্ৰীচৌহানে লগতে কয়, যে চলিত বিত্তীয় বৰ্ষত ৪ হাজাৰ ৭৫০ লাখ টন কুঁহিয়াৰ আৰু ২৯০ লাখ টনতকৈও অধিক কপাহ উৎপাদন হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০

কমনৱেল্‌থ স্পৰ্ট সংস্থাই ২০৩০ বৰ্ষত হ'বলগীয়া কমনৱেল্‌থ  ক্ৰীড়া সমাৰোহৰ আয়োজনৰ স্বত্ব আহমেদাবাদক প্ৰদান কৰাটো দেশৰ বাবে অতি সন্মানৰ মুহূৰ্ত বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই মন্তব্য কৰিছে। দেশে ২০৪৭ চনৰ ভিতৰত গোলকীয় কেন্দ্ৰ ৰূপে নিজক গঢ় দিয়াৰ বাবে নিৰলস প্ৰয়াস অব্যাহত ৰখাৰ সময়ত এয়া উৎসাহৰ বিষয় হিচাপে তেওঁ আখ্যা দিয়ে। নতুন দিল্লীত কালি বিয়লি এটা অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে বিগত দশকটোত ১৮ খন চহৰত ২২ খন গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ সফল আয়োজন কৰিছে। ক্ৰীড়া প্ৰতিযোগিতা আয়োজনৰ ক্ষেত্ৰত থকা ভাৰতৰ সামৰ্থৰ ওপৰত বিশ্বৰ অন্যান্য দেশসমূহেও আস্থা প্ৰকাশ কৰিবলৈ লৈছে বুলি তেওঁ প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত কমনৱেল্‌থ ক্ৰীড়াত ভাৰতৰ প্ৰদৰ্শন সন্দৰ্ভত এখন তথ্য চিত্ৰও প্ৰদৰ্শন কৰা হয়।

ইপিনে ২০৩০ চনত দেশে কমনৱেল্‌থ ক্ৰীড়া সমাৰোহ আয়োজনৰ স্বত্ব লাভ কৰাক লৈ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও  সন্তোষ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত লিখা এটা প'ষ্টত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াক দেশৰ ক্ৰীড়া পৰিৱেশ তন্ত্ৰৰ সামূহিক শক্তি আৰু প্ৰতিভাৰ প্ৰতিফলন হিচাপে আখ্যা দিয়ে। এয়া বিশ্ব

ক্ৰীড়াত ভাৰতৰ স্থান আৰু ৰাষ্ট্ৰৰ খেলুৱৈ, প্ৰশিক্ষক আৰু প্ৰশাসকসকলৰ অটল নিষ্ঠাৰ প্ৰমাণ বুলি শ্ৰীৰাধাকৃষ্ণনে মন্তব্য কৰে। কমনৱেল্‌থ ক্ৰীড়া সমাৰোহে শতবৰ্ষত ভৰি দিয়াৰ সময়ত ভাৰতৰ সামৰ্থ, একতা আৰু আকাংক্ষাক বিশ্ব দৰবাৰত প্ৰদৰ্শন কৰাৰ বাবে এয়া ঐতিহাসিক সুযোগ বুলিও তেওঁ প্ৰকাশ কৰে।

ooooo

২০২৬ বৰ্ষত হ'বলগীয়া ১৭ বছৰ অনূৰ্ধৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ বাবে যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডৰ গ্ৰুপ-ডিৰ এখন খেলত ভাৰতে কালি চীনা টাইপেইক ৩-১ গ'লৰ ব্যৱধানৰ পৰাস্ত কৰে। আহমেদাবাদৰ এক্কা এৰিনাত অনুষ্ঠিত খেলখনত ভাৰতৰ হৈ অধিনায়ক দাল্লালমৌন গাংটেই আটাইকেইটা গ'ল দিয়ে।

যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত এয়া হ'ল ভাৰতৰ প্ৰথম বিজয়। ইয়াৰ পূৰ্বে বিগত শনিবাৰে অনুষ্ঠিত ভাৰত আৰু পেলেষ্টাইনৰ মাজৰ এখন খেল ১-১ গ'লত ড্ৰ' হৈছিল। কালিৰ জয়ৰ সুবাদত ভাৰতে ৪ পইণ্টেৰে গ্ৰুপৰ দ্বিতীয় স্থানলৈ উন্নীত হৈছে। ইপিনে কালিৰ খেলখনত পৰাজিত হোৱাৰ লগে লগে চীনা টাইপেই প্ৰতিযোগিতাৰ পৰা বাহিৰ হোৱাটো নিশ্চিত হয়। দলটোৱে এইপৰ্যন্ত খেলা তিনিখন খেলৰ পৰা মাত্ৰ ১ পইণ্টহে অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। গ্ৰুপৰ আন দুটা দল লেবানন আৰু পেলেষ্টাইনে ক্ৰমে ৩ আৰু ২ পইণ্টতকৈ লাভ কৰিছে। উন্নত গ'ল ব্যৱধানৰ ভিত্তিত ৪ পইণ্ট অৰ্জন কৰা ইৰাণ সম্প্ৰতি গ্ৰুপৰ প্ৰথম স্থানত আছে।

ভাৰত কাইলৈ গ্ৰুপ পৰ্যায়ৰ আন এখন খেলত লেবাননৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত